জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১১/২০২১

## অ' এন জি চিৰ অপহৃত কৰ্মচাৰী ৰিতুল শইকীয়াৰ উদ্ধাৰৰ বাবে ৰাজ্য চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৩ মে' ঃ** অ' এন জি চিৰ অপহৃত কৰ্মচাৰী ৰিতুল শইকীয়াৰ পত্নী আৰু ভাতৃয়ে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক মাজুলীৰ আৱৰ্ত ভৱনত সাক্ষাৎ কৰি তেখেতক উদ্ধাৰৰ বাবে ক্ষিপ্ৰ পদক্ষেপ গ্ৰহণৰ বাবে আহ্বান জনায়।

সাক্ষাৎ কালত মুখ্যমন্ত্ৰী ড° শৰ্মাই অপহৃত অ' এন জি চিৰ কৰ্মচাৰীগৰাকীক উদ্ধাৰৰ বাবে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা সকলো পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি পৰিয়ালৰ সদস্য সকলক আশ্বাস প্ৰদান কৰে। সাক্ষাৎ কালত তিতাবৰ বিধান সভা সমষ্টিৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱা উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**১৩/০৫/২০২১**